**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-01-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

---

১।	প্ৰধানমন্ত্ৰীয়ে আজি মন কী বাতত অসমৰ নগাঁও জিলাত হাতী বন্ধু নামৰ এটা সংগঠনে বনৰীয়া হাতীৰ বাবে গ্ৰহণ কৰা ব্যতিক্ৰমী পদক্ষেপক প্ৰশংসা কৰে।
২।	ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ আজি প্ৰতিষ্ঠা দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাহিনীটোৰ সাহসী কৰ্মকৰ্তাসকলক অভিবাদন জনায়।
৩।	ইজৰাইল আৰু পেলেষ্টাইনী উগ্ৰপন্থী সংগঠন হামাছৰ মাজত প্ৰথম পৰ্যায়ৰ যুদ্ধ বিৰতি চুক্তি আজি নিৰ্ধাৰিত সময়তকৈ ৩ ঘণ্টা পলমকৈ আৰম্ভ হয়।
৪।	নতুন দিল্লীৰ ভাৰত মণ্ডপমত আয়োজিত ভাৰত গতিশীলতা আন্তঃৰাষ্ট্ৰীয় প্ৰদৰ্শনী ২০২৫-ত ২২টা পৃথক সংস্থাৰ ৫৬ বিধ নতুন সামগ্ৰী মুকলি কৰা হৈছে।	*আৰু*
৫।	মালয়েছিয়াৰ কুৱালালামপুৰত আজি অনুষ্ঠিত মহিলাৰ ১৯ বছৰ অনূৰ্ধ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে ৱেষ্ট ইণ্ডিজক ৯ উইকেটত পৰাজিত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মন কী বাত অনুষ্ঠানৰ ১১৮ সংখ্যক খণ্ডত মানুহ আৰু বন্য প্ৰাণীৰ সহাৱস্থানৰ প্ৰসংগ উত্থাপন কৰে। তেওঁ অসমৰ নগাঁও জিলাৰ এখন গাঁৱত গাঁওবাসীয়ে হাতী বন্ধু নামৰ এটা সংগঠনৰ জৰিয়তে বনৰীয়া হাতীৰ বাবে গ্ৰহণ কৰা ব্যতিক্ৰমী পদক্ষেপৰ বিষয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে গাঁওবাসীয়ে ৮০০ বিঘা বান ক্ষতিগ্ৰস্ত ভূমিত হাতীৰ খাদ্যৰ বাবে ঘাঁহ ৰোপণ কৰিছে। শ্ৰীমোদীয়ে চত্তিশগড় গুৰু ঘাচীদাস- টোমৰ পিঙলা বাঘ সংৰক্ষিত বনাঞ্চল আৰু মধ্যপ্ৰদেশৰ ৰাতাপানী বাঘ সংৰক্ষিত বনাঞ্চল গঠনৰ বাবে সুখী হোৱা বুলি প্ৰকাশ কৰে। ষ্টাৰ্ট আপ ইণ্ডিয়াৰ ৯ বছৰ সম্পূৰ্ণ হোৱা প্ৰসংগত শ্ৰীমোদীয়ে কয়, যে দেশৰ ষ্টাৰ্ট আপ সংস্কৃতি কেৱল ডাঙৰ ডাঙৰ চহৰতে সীমাবদ্ধ হৈ থকা নাই। বৰং এই সংস্কৃতি জনসংখ্যা আৰু অৰ্থনৈতিক বিকাশক লৈ চিহ্নিত কৰা দ্বিতীয় আৰু তৃতীয় স্তৰৰ মহানগৰলৈ সম্প্ৰসাৰিত হৈছে।

আজি মন কী বাতত প্ৰধানমন্ত্ৰীয়ে মহাকাশ খণ্ডত দেশৰ শেহতীয়া সাফল্যৰ প্ৰশংসা কৰে। বাংগালুৰুত থকা ভাৰতীয় মহাকাশ প্ৰযুক্তি ষ্টাৰ্ট আপ পিকচেলৰ প্ৰসংগ উত্থাপন কৰি শ্ৰীমোদীয়ে দেশৰ প্ৰথমটো ব্যক্তিগত উপগ্ৰহ নক্ষত্ৰ ফায়াৰফ্লাইৰ সফল উৎক্ষেপণৰ কথা উল্লেখ কৰে। তেওঁ কয়, যে মহাকাশ ক্ষেত্ৰত ভাৰতৰ আত্মনিৰ্ভৰশীলতাৰ এয়া এক উল্লেখযোগ্য সোপান।

প্ৰধানমন্ত্ৰী মোদীয়ে ৭৫ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে দেশৰাসীক শুভেচ্ছা জ্ঞাপন কৰে। এই প্ৰসংগতে তেওঁ সংবিধান সভাৰ সদস্যসকললৈ শ্ৰদ্ধা নিবেদন কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ জানুৱাৰীত উদযাপন কৰিবলগীয়া ৰাষ্ট্ৰীয় ভোটাৰ দিৱসৰ বিষয়টোক আলোকপাত কৰে। এই দিনটোতে ভাৰতৰ নিৰ্বাচন আয়োগ গঠন কৰা হৈছিল বাবে ৰাষ্ট্ৰীয় ভোটাৰ দিৱসৰ বিশেষ তাৎপৰ্য আছে।

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত অনুষ্ঠিত মহাকুম্ভ মেলাৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে এই মেলা হৈছে সাম্য আৰু মহা মিলনৰ সন্মিলন। এই মেলাৰ মাজেৰে দেশৰ বৈচিত্ৰ্যৰ মাজত একতাক উদযাপন কৰা হৈছে বুলি তেওঁ কয়।

নেতাজী সুভাষ চন্দ্ৰ বসুক স্মৰণ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে অহা ২৩ জানুৱাৰীত নেতাজীৰ জন্মদিন দেশে পৰাক্ৰম দিৱস হিচাপে পালন কৰিব। নেতাজীক এগৰাকী দুৰদৰ্শী নেতা হিচাপে অভিহিত কৰি শ্ৰীমোদীয়ে কয়, যে নেতাজী স্বভাৱতে এগৰাকী সাহসী লোক আছিল। অসমৰ চুবুৰীয়া ৰাজ্য অৰুণাচলৰ নাগৰিক দীপক নাৱামৰ বিষয়েও শ্ৰীমোদীয়ে মন কী বাতত উল্লেখ কৰে। সমাজ আৰু পৰিৱেশৰ উন্নয়নৰ বাবে কাম কৰি অহা দীপক নাৱামে মানসিকভাৱে অসুস্থ, শাৰীৰিক প্ৰতিবন্ধী লোক, বৃদ্ধ আৰু নিচাযুক্ত দ্ৰব্য সেৱনকাৰী লোকসকলৰ যত্ন লৈ আহিছে বুলি তেওঁ উল্লেখ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী এন ডি আৰ এফৰ আজি প্ৰতিষ্ঠা দিৱস উপলক্ষে বাহিনীটোৰ সাহসী কৰ্মকৰ্তাসকলক অভিবাদন জনায়। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে এন ডি আৰ এফৰ কৰ্মকৰ্তাসকলৰ সাহস, নিষ্ঠা তথা নিস্বাৰ্থ সেৱাৰ শলাগ লয়। দুৰ্যোগৰ প্ৰতি জনোৱা সঁহাৰি, জৰুৰী অৱস্থাত সুৰক্ষা সুনিশ্চিত কৰা তথা জীৱন ৰক্ষা কৰাৰ বাবে এন ডি আৰ এফৰ অতুলনীয় প্ৰতিশ্ৰুতিবদ্ধতাক তেওঁ প্ৰশংসা কৰে। দুৰ্যোগ সঁহাৰি তথা ব্যৱস্থাপনাৰ ক্ষেত্ৰত এন ডি আৰ এফে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ মান প্ৰতিষ্ঠা কৰা বুলি তেওঁ উল্লেখ কৰে।

ooooo

ইজৰাইল আৰু পেলেষ্টাইনী উগ্ৰপন্থী সংগঠন হামাছৰ মাজত প্ৰথম পৰ্যায়ৰ যুদ্ধ বিৰতি চুক্তি আজি গাজাৰ স্থানীয় সময় অনুসৰি দিনৰ ১১ বাজি ১৫ মিনিটত অৰ্থাৎ নিৰ্ধাৰিত সময়তকৈ ৩ ঘণ্টা পলমকৈ আৰম্ভ হয়। আন্তঃৰাষ্ট্ৰীয় মান সময় অনুসৰি পুৱা চাৰে ৬ বজা আৰু গাজাৰ স্থানীয় সময় অনুসৰি পুৱা চাৰে ৮ বজাত এই কাৰ্যসূচী আৰম্ভ হোৱাৰ কথা আছিল। এই চুক্তিৰ মধ্যস্থতাকাৰী কাটাৰে আজি যুদ্ধ বিৰতি চুক্তিৰ প্ৰক্ৰিয়া আৰম্ভ হোৱাটো নিশ্চিত কৰি কয়, যে চুক্তিৰ আধাৰত প্ৰাৰম্ভিক পৰ্যায়ত মুকলি কৰি দিবলগীয়া  ৩ জন পনবন্দীৰ ভিতৰত দুজনমানৰ বিদেশী নাগৰিকত্ব আছে। ইজৰাইলৰ প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যম এক্স-ত দিয়া এটা বাৰ্তা অনুসৰি তেওঁলোকে নিৰ্দিষ্ট ব্যৱস্থাৰে মুকলি কৰি দিবলগীয়া পনবন্দীসকলৰ তালিকাখন লাভ কৰিছে। সুৰক্ষা সংস্থাসমূহে এই সন্দৰ্ভত সবিশেষ তথ্য পৰীক্ষা-নিৰীক্ষা কৰি আছে বুলি তেওঁ উল্লেখ কৰে। কেইবাটাও সংবাদ সংস্থাৰ বাতৰিত প্ৰকাশ পোৱা মতে যুদ্ধ বিধবস্ত অঞ্চলটোত উৎসৱমুখৰ পৰিৱেশৰ সূচনা হৈছে আৰু বিলম্ব হোৱা সত্বেও একাংশ পেলেষ্টাইনী লোকে স্বদেশলৈ উভতনি যাত্ৰা আৰম্ভ কৰিছে। ইতিমধ্যে ভাৰতত থকা ইজৰাইলৰ ৰাষ্ট্ৰদূত ৰিয়ুভেন আজাদে এই সন্দৰ্ভত কয়, যে এই চুক্তিয়ে পনবন্দীসকলক ঘূৰাই অনাৰ সম্ভাৱনা বহন কৰাৰ লগতে হামাছে ২০২৩ চনৰ ৭ অক্টোবৰত সংঘটিত কৰাৰ দৰে ভৱিষ্যতে যাতে ইজৰাইলীসকলক আক্ৰমণ কৰিব নোৱাৰে এই কথাও নিশ্চিত কৰিব।

ooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আয়োজিত ভাৰত গতিশীলতা আন্তঃৰাষ্ট্ৰীয় প্ৰদৰ্শনী ২০২৫-ত ২২টা পৃথক সংস্থাৰ ৫৬ বিধ নতুন সামগ্ৰী মুকলি কৰা হৈছে। উদ্যোগ আৰু বাণিজ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই কাৰ্যসূচীত কেইবাখনো শেহতীয়া বাহন, অত্যাধুনিক যান-বাহন সম্পৰ্কীয় প্ৰযুক্তি তথা ছুপাৰ বাইক, চাৰিচকীয়া বাহন, বাছ আৰু এম্বুলেন্সকে ধৰি বিভিন্ন বাহনৰ শেহতীয়া সা-সৰঞ্জাম প্ৰদৰ্শন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা শুকুৰবাৰে এই প্ৰদৰ্শনী মুকলি কৰে। বৃহত্তৰ নয়দা ইণ্ডিয়া এক্সপো চেণ্টাৰ আৰু মাৰ্ট, নতুন দিল্লীৰ য়শোভূমি আৰু ভাৰত মণ্ডপমত ছদিনীয়া কাৰ্যসূচীৰে এই প্ৰদৰ্শনী আয়োজিত হৈছে। মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি এই কাৰ্যসূচীৰ জৰিয়তে সমগ্ৰ দেশৰ যান-বাহন খণ্ডৰ পৰিৱেশতন্ত্ৰই একেখন মঞ্চত একত্ৰিত হোৱাৰ সুযোগ পাব।

০০০০০

ভাৰতীয় সংবিধান গৃহীত হোৱাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে ডাক বিভাগে কাইলৈ নতুন দিল্লীত তিনিদিনীয়া কাৰ্যসূচীৰে এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। যোগাযোগ মন্ত্ৰালয়ে সদৰি কৰা অনুসৰি এই অনুষ্ঠানৰ জৰিয়তে সংবিধানত লিপিবদ্ধ প্ৰমূল্যসমূহ প্ৰতিফলিত কৰাৰ লক্ষ্য লোৱা হৈছে। তদুপৰি নাগৰিকসকলৰ মনত ৰাষ্ট্ৰীয় গৌৰৱ তথা একতাৰ মনোভাৱ জগাই তোলাৰ উদ্দেশ্যে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হ'ব।

০০০০০

কৰ্মচাৰী ভৱিষ্যনিধি সংস্থাই ইয়াৰ সদস্যসকলৰ ব্যক্তিগত তথ্য পঞ্জী উন্নীতকৰণ প্ৰক্ৰিয়া সৰল কৰি তুলিছে। সাৰ্বজনীন একাউণ্ট নম্বৰ আধাৰৰ জৰিয়তে সংযুক্ত কৰি বৈধ বিবেচিত সদস্যসকলে নিজৰ তথ্য যেনে জন্মৰ তাৰিখ, লিংগ, ৰাষ্ট্ৰীয়তা, পিতৃ-মাতৃৰ নাম, চাকৰিত যোগদান আৰু অৱসৰৰ তাৰিখ আদি তথ্যৰ প্ৰতিলিপি দাখিল নকৰাকৈ উন্নীত কৰিব পাৰে। শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই ব্যৱস্থাই আবেদন বিবেচনাধীন হৈ ৩ লাখ ৯০ হাজাৰ সদস্যক উপকৃত কৰিব। মন্ত্ৰালয়ে লগতে কয়, যে কৰ্মচাৰী ভৱিষ্যনিধি সংস্থাৰ তথ্য ভাণ্ডাৰত সংগৃহীত সদস্যসকলৰ ব্যক্তিগত তথ্যসমূহৰ শুদ্ধতা আৰু সামঞ্জস্য ৰক্ষা কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ কাৰণ ইয়াৰ দ্বাৰাহে নিয়াৰিকৈ সেৱা প্ৰদান কৰাটো সম্ভৱ হৈ উঠে। অৱশ্যে ২০১৭ চনৰ ১ অক্টোবৰৰ পূৰ্বে সাৰ্বজনীন একাউণ্ট নম্বৰ লাভ কৰা সকলৰ তথ্য উন্নীতকৰণৰ ক্ষেত্ৰত নিয়োগকৰ্তাৰ দ্বাৰা প্ৰত্যায়িতকৰণ নাইবা প্ৰমাণ পত্ৰ প্ৰদানৰ প্ৰয়োজন হ'ব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰত সামাজিক মাধ্যমৰ অন্যতম জনপ্ৰিয় মঞ্চ টিক্‌টক্ ব্যৱহাৰ কৰাত নিষেধাজ্ঞা আৰোপ কৰাৰ পৰিপ্ৰেক্ষিতত কেইবালাখ ব্যৱহাৰকাৰীয়ে টিক্‌টক্‌ত ভিডিঅ' চোৱাৰ অভিজ্ঞতাৰ পৰা বঞ্চিত হৈছে। নৱনিৰ্বাচিত ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ শপতগ্ৰহণ অনুষ্ঠানৰ এদিন পূৰ্বে আজিৰ পৰা আমেৰিকা যুক্তৰাষ্ট্ৰত নতুনকৈ প্ৰণয়ন কৰা আইন বলৱৎ কৰা হৈছে। টিক্‌টক্‌ৰ চীন দেশৰ মালিকীস্বত্ব সন্দৰ্ভত উচ্চ পৰ্যায়ৰ পৰ্যালোচনা তথা কেইবামানজোৰা আইনী যুদ্ধৰ পাছত এই নিষেধাজ্ঞা বলৱৎ কৰা হয়। ড'নাল্ড ট্ৰাম্পে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি সামাজিক মাধ্যম টিক্‌টক্‌ৰ ম্যাদ আৰু ৯০ দিনৰ বাবে বৃদ্ধি কৰাৰ কথা ভবা হৈছিল। টিক্‌টক্‌ৰ মুখ্য কাৰ্যবাহী বিষয়া শ্বৌ চিউৱে ট্ৰাম্পৰ শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ কথা।

০০০০০

মালয়েছিয়াৰ কুৱালালামপুৰত আজি অনুষ্ঠিত মহিলাৰ ১৯ বছৰ অনূৰ্ধ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে ৱেষ্ট ইণ্ডিজক ৯ উইকেটত পৰাজিত কৰে। ৱেষ্ট ইণ্ডিজে প্ৰথমে বেট ধৰি ১৩ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ভাৰতক ৪৫ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। ভাৰতে ৪ অভাৰ আৰু ২টা বলতে লক্ষ্য অতিক্ৰম কৰে। ইয়াৰ আগেয়ে আজি গ্ৰুপ-এৰ এখন খেলত শ্ৰীলংকাই মালয়েছিয়াক ১৩৯ ৰাণত পৰাজিত কৰে।

ooooo

নতুন দিল্লীত অনুষ্ঠিত ইণ্ডিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাত ডেনমাৰ্কৰ ভিক্টৰ এক্সেলছেনে পুৰুষৰ একক শাখাৰ খিতাপ দখল কৰিছে। প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত ফাইনেলত এক্সেলছেনে হংকঙৰ চি ইউ লিক ২১-১৬, ২১-৮ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে। মহিলাৰ একক শাখাত দক্ষিণ কোৰিয়াৰ এন চে য়াঙে থাইলেণ্ডৰ পি ছুচুৱঙক ২১-১২, ২১-৯ৰ ব্যৱধানত পৰাস্ত কৰি খিতাপ দখল কৰে।

ooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত কাইলৈ নিশা চাৰে ৯ বজাত **পথ সুৰক্ষা নিশ্চিতকৰণ** সন্দৰ্ভত পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব মেহমুদ আহমেদ আৰু পৰিবহণ বিশেষজ্ঞ অনিল চিকাৰাৰ সৈতে হোৱা এলানি বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীক বিষয়টো সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আমাৰ ৱেৱছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পোৱা যাব।

ooooo

সমাপ্ত